# হৰিবংশ ৰায় বচ্চনৰ কবিতা

অনুবাদ: উদিপ্ত তালুকদাৰ

## সুৰসুৰীয়া পথ: ঘাইপথ

আগতে ইয়াত এটি সুৰসুৰীয়া পথ আছিল

চহৰৰ পৰা গাঁৱলৈ;

এতিয়া ইয়াত এটি ঘাইপথ হ'ল

গাঁৱৰ পৰা চহৰলৈ;

আৰু চাওঁতে চাওঁতে

সমগ্ৰ পৃথিৱীখনেই সলনি হ'ল।

## আস্থা

তুমি

প্ৰতিমাক শিৰচ্ছেদ কৰিলা,

তথাপি মানুহে তাৰ সন্মুখত নতমস্তক হ'ব এৰা নাই।

তুমি মূৰ্তিক ধ্বংস কৰিছা,

মানুহৰ আস্থাক নহয়।

আৰু আস্থাই

বহুবাৰ

শিৰচ্ছেদিত মূৰক কান্ধৰ সৈতে সংলগ্ন কৰে ।

## গান্ধী

এদিন ইতিহাসে শুধিব

যে তুমি গান্ধীক জন্ম দিছিলা,

যেতিয়া হিংসা,

কুটিল বিজ্ঞান বলসহ সমন্বিত,

ধৰ্ম, সংস্কৃতি, সভ্যতাৰ ওপৰত পৰ্দা আৰি,

ষড়যন্ত্ৰ বিশ্বৰ সংহাৰ ৰচাত নিমজ্জিত আছিলা,

তুমি ক'ত আছিলা ? আৰু কি কৰিছিলা !

এদিন ইতিহাসে শুধিব

যে তুমি গান্ধীক জন্ম দিছিলা,

যেতিয়া অন্যায়ে পশু-বল সুৰাপান কৰি-

উগ্ৰ, উদ্ধত, দম্ভ-উন্মাদ-

এক নিৰ্বল, নিৰপৰাধ, নিৰীহক

কৰিছিল পদদলিত

তুমি ক'ত আছিলা ? আৰু কি কৰিছিলা ?

এদিন ইতিহাসে শুধিব

যে তুমি গান্ধীক জন্ম দিছিলা,

যেতিয়া অধিকাৰ, শোষণ, স্বাৰ্থ

হৈ নিৰ্লজ্জ, নিৰ্ভীক, নিৰ্দ্বন্দ্ব

সদ্য জাগৃত, সংযত ৰাষ্ট্ৰত আসক্তিৰে লাগি

তাক জৰ্জৰিত কৰি ৰাখিছিল,

তুমি ক'ত আছিলা ? আৰু কি কৰিছিলা ?

কিয়নো ব্যৰ্থ গান্ধী

যদি নাপালেহেতেঁন হিংসাই প্ৰতিদ্বন্দ্বিতা,

কিয়নো ব্যৰ্থ গান্ধী

যদি নহ'লেহেতেঁন অন্যায়ৰ জয়ধ্বনি,

কিয়নো ব্যৰ্থ গান্ধী

যদি নোধুলেহেতেঁন নিজৰ পাপ

স্বতন্ত্ৰ এই জাতিয়ে !

**বানপানী**

বানপানী আহিছে, বানপানী !

বানপানী আহিছে, বানপানী !

সেই সকলোবোৰ তলত পৰি ৰৈছে

যিবোৰ আছিল ডাঙৰ-গধুৰ,

ওজন,

লৌহ-কঠিন

পোন-মোন

গধুৰতম !

আৰু ওপৰত উপঙি ৰৈছে

কেৰাচিনৰ খালী টিন,

দালদাৰ টেমা,

ফটা ঢোল,

কুলা-টুকুৰী-দলা,

কাঠ-ভঙা-চিঙা-জাবৰ-জোথৰ !

বানপানী আহিল, বানপানী !

বানপানী আহিল, বানপানী !

**যোগাযোগৰ ঠিকনা:**

ই-মেইল: udiptatalukdar94@gmail.com